**অসম বিধান সভা**

**তৰাযুক্ত প্ৰশ্ন নং ২৪৬**

**উত্তৰ দিয়াৰ তাৰিখ-২৮-০৭-২০২৬**

**বিষয়ঃ  অঙ্গনৱাডী কেন্দ্ৰ**

**মোঃ নুৰুল হুদা, বিধায়ক**

**প্ৰশ্নঃ-**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমত মুঠ কিমানসংখ্যক অঙ্গনৱাডী কেন্দ্ৰ আছে? তাৰে কিমান সংখ্যক সম্পূৰ্ণ ভাল গৃহ নিৰ্মাণ আৰু কিমানসংখ্যক জৰাজীৰ্ণ অৱস্থাত আছে? জিলাভিত্তিক বিতং তথ্য সদনত দাখিল কৰিব।

(খ) ৰূপহীহাট বিধান সভা সমষ্টিত কিমান সংখ্যক অঙ্গনৱাডী কেন্দ্ৰৰ গৃহ জৰাজীৰ্ণ অৱস্থাত আছে? সেই জৰাজীৰ্ণ অঙ্গনৱাডী কেন্দ্ৰ সমূহৰ নতুন গৃহ নিৰ্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বিতং তথ্য সদনত জনাব।

(গ) ৰূপহীহাট বিধান সভা সমষ্টিৰ অন্তৰ্গত অঙ্গনৱাডী কেন্দ্ৰসমূহত বৰ্তমান কিমান সংখ্যক অঙ্গনৱাডী কৰ্মীৰ পদ আৰু সহায়িকাৰ পদ খালী আছে? কেন্দ্ৰভিত্তিক খালী পদৰ সংখ্যা, কেন্দ্ৰৰ নাম আৰু সেই পদসমূহ পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ বিতং তথ্য সদনত দাখিল কৰিব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেঁওগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) অসমত বৰ্তমান মুঠ ৬২১৪২ টা অনুমোদিত অঙ্গনবাড়ী কেন্দ্ৰ আছে। তথ্য সংগ্ৰহ কৰি থকা হৈছে।

(খ) অঙ্গনবাড়ী কেন্দ্ৰৰ গৃহৰ তথ্য প্ৰকল্প ভিত্ততহে উপলব্ধ। এই সমষ্টিত তিনিটা শিশু উন্নয়ন প্ৰকল্প ক্ৰমে ৰূপহীহাট, জুৰীয়া আৰু লাওঁখোৱা অৱস্থিত।

ৰাজ্যখনত জৰাজীৰ্ণ অংগনবাড়ী কেন্দ্ৰ সমূহৰ বিষয়ে চৰকাৰ অৱগত, সেয়েহে এইবিলাকৰ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে ২০২১ চনৰ পৰা বিভিন্ন পৰ্য্যায়ত ৰাজ্যখনত আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম কৰি আহিছে। যোৱাটো কাৰ্য্যকালত ৯০৫৪ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম অনুমোদন জনোৱা হৈছিল আৰু ইয়াৰে ৪৪২৩ টা নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু ৪৬৩১ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম চলি আছে। চলিত বিত্তীয় বৰ্ষত ৰাজ্যখনত ১৭৩৩ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।

(গ) অঙ্গনবাড়ী কৰ্মী/ সহায়িকাৰ খালী পদৰ তথ্য সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প কাৰ্য্যালয়ত উপলব্ধ।

এই খালী পদসমূহ পূৰণ কৰাৰ বাবে শিশু উন্নয়ন প্ৰকল্প বিষয়াসকলক প্ৰয়োজন সাপেক্ষে বিভাগীয় নিৰ্দেশনা অনুসৰি বিজ্ঞাপন জাৰি কৰিবলৈ সঞ্চালকালয়ৰ পৰা নিৰ্দেশ দিয়া হৈছে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

******************